নং ঃ ৩৮/২০২০

# বড়ো সশস্ত্ৰ সংগঠনৰ অস্ত্ৰ সম্বৰণ আৰু মূল সুতিলৈ প্ৰত্যাৱৰ্তন অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## বড়ো শান্তি চুক্তিয়ে শান্তি আৰু উন্নয়নৰ নতুন দিগন্তৰ সূচনা কৰিব ঃ মুখ্যমন্ত্ৰী

## বড়ো জনগোষ্ঠীৰ উন্নয়ন মানে অসমৰ সামগ্ৰিক উন্নয়ন ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ জানুৱাৰী ঃ** 'বড়ো জনগোষ্ঠী হ'ল অত্যন্ত সাহসী আৰু কষ্ট সহিষ্ণু। মই আজি অস্ত্ৰ সম্বৰণ কৰি মূল সুতিলৈ প্ৰত্যাৱৰ্তন কৰা এন ডি এফ বিৰ সকলো কেইটা গোটৰ সদস্য সকলক আন্তৰিক আদৰণি জনাইছো। লগতে তেওঁলোকক ৰাজ্যখনৰ তথা বিটিচি অঞ্চলৰ সৰ্বাংগীন উন্নয়নৰ বাবে ঐকান্তিকতাৰে কৰ্মত অৱতীৰ্ণ হোৱাৰ বাবে আহ্বান জনাইছো। কাৰণ বড়ো জনগোষ্ঠীৰ উন্নয়ন মানে অসমৰ সামগ্ৰিক উন্নয়ন।' আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল প্ৰেক্ষাগৃহত এন ডি এফ বিৰ সকলো কেইটা গোটৰ সদস্যৰ অস্ত্ৰ সম্বৰণ অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

উল্লেখ্য যে আজি এন ডি এফ বিৰ সকলো কেইটা গোটৰ ১৬১৫ গৰাকী সদস্যই অস্ত্ৰ সম্বৰণ কৰি মূল সুতিলৈ উভতি আহিছে। ইয়াৰ ভিতৰত ৮৩৬ গৰাকী হ'ল এন ডি এফ বি (পি), ৫৭৯ গৰাকী এন ডি এফ বি (আৰ ডি) আৰু ২০০ গৰাকী হ'ল এন ডি এফ বি (এছ) ৰ সদস্য।

জাতিৰ পিতা মহাত্মা গান্ধীৰ ৭২ সংখ্যক মৃত্যু দিৱসৰ দিনা এই অস্ত্ৰ সম্বৰণ কাৰ্যসূচী অনুষ্ঠিত হৈছে বুলি উল্লেখ কৰি আজিৰ দিনটোক মুখ্যমন্ত্ৰীয়ে এক ঐতিহাসিক দিন বুলি অভিহিত কৰে। এই অস্ত্ৰ সম্বৰণ কৰি মূল সুতিলৈ উভতি অহা পদক্ষেপে বৃহত্তৰ বিটিচি অঞ্চলত শান্তি আৰু উন্নয়নৰ এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আত্ম সম্পৰ্ণকাৰী উগ্ৰপন্থী সকলক নিয়োজনৰ সুবিধা প্ৰদানৰ বাবে এক সংহত পুনৰ সংস্থাপন নীতি প্ৰস্তুত কৰা হ'ব যাতে ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াত এই মূল সুতিলৈ উভতি অহা উগ্ৰপন্থী সকলে অৰ্থৱহ অৰিহণা যোগাব পাৰে।

ৰাজ্যখনৰ স্থায়ী শান্তি আৰু সামগ্ৰিক উন্নয়নৰ বাবে সকলোকে ঐক্যবদ্ধভাবে প্ৰচেষ্টাত অৱতীৰ্ণ হোৱাৰ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে আত্ম সম্পৰ্কণকাৰী উগ্ৰপন্থী সকলক তেওঁলোকৰ মাজত থকা শক্তি আৰু সম্ভাৱনীয়তা খিনি উপযক্ত প্ৰয়োগৰে ৰাজ্যখনৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ সৰ্বাংগীন উন্নয়নৰ দিশত নিষ্ঠা সহকাৰে আত্ম-নিয়োগ কৰাৰ বাবেও আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে প্ৰদান কৰা গুৰুত্বৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অঞ্চলটোৰ গুৰুত্ব উপলব্ধি কৰিয়েই এই অঞ্চলক দেশৰ বিকাশৰ 'নতুন ইঞ্জিন' আৰু 'অষ্টলক্ষ্মী' হিচাপে অভিহিত কৰিছে বুলিও কয়।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে স্থায়ী শান্তি স্থাপনৰ দিশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহ মন্ত্ৰী অমিত শ্বাহে লোৱা পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰাৰ উপৰি বড়ো শান্তি চুক্তিৰ দিশত ৰাজ্যৰ স্বাস্থ্য, বিত্ত, শিক্ষা ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে লোৱা সক্ৰিয় পদক্ষেপৰো শলাগ লয়।

কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু বড়ো সংগঠনৰ মাজত হোৱা এই চুক্তিয়ে অসমৰ ঐক্য, সংহতি আৰু অধিক শক্তিশালী কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ উন্নয়নৰ বাবে স্থায়ী শান্তি অতিকৈ জৰুৰী। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে অঞ্চলটোত স্থায়ী শান্তি প্ৰতিষ্ঠা আৰু ক্ষীপ্ৰ উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে লোৱা পদক্ষেপ সমূহৰো আলোকপাত কৰে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বড়ো সংগঠনৰ সৈতে স্বাক্ষৰিত শান্তি চুক্তিক ইতিমধ্যে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ লগতে বিটিচিৰ বাহিৰৰ জনসাধাৰণ তথা দেশৰ জনসাধাৰণেও আদৰণি জনাইছে।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি বিত্ত, স্বাস্থ্য, শিক্ষা ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে বড়ো স্বায়ত্ত শাসিত পৰিষদ বিধেয়ক অচিৰেই বিধান সভাত উত্থাপন কৰা হ'ব আৰু বড়ো সকলক পূৰ্ণ স্বায়ত্ত শাসনৰ সুবিধা প্ৰদান কৰা হ'ব। মন্ত্ৰী গৰাকীয়ে লগতে কয় যে আত্ম সমৰ্পণকাৰী উগ্ৰপন্থী সকলৰ পুনৰ সংস্থাপনৰ বাবে সকলো পদক্ষেপ লোৱা হ'ব। মন্ত্ৰী গৰাকীয়ে আলফা (স্বাধীন) ৰ লেখীয়া সংগঠন সমূহকো ৰাজ্যখনৰ স্থায়ী শান্তিৰ বাবে চৰকাৰৰ সৈতে আলোচনাত মিলিত হোৱাৰ বাবে আহ্বান জনায়। মন্ত্ৰী গৰাকীয়ে লগতে কয় যে অহা ৭ ফেব্ৰুৱাৰীত শান্তি চুক্তিৰ উদ্‌যাপন অনুষ্ঠানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কোকৰাঝাৰলৈ আহিব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী আৰু আবছুৰ সভাপতি প্ৰমোদ বড়োই এই শান্তি চুক্তিয়ে বিটিচি অঞ্চলত স্থায়ী শান্তি আৰু উন্নয়নৰ লগতে সমগ্ৰ ৰাজ্যখনৰ উন্নয়নত বিশেষভাবে সহায় কৰিব। তেওঁলোকে আত্ম সমৰ্পণকাৰী সদস্য সকলৰ বিপৰীতে থকা গোচৰ সমূহৰ শীঘ্ৰে সমাধানৰ পদক্ষেপ ল'বলৈ ৰাজ্য চৰকাৰক আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, কেইবাগৰাকী বিধায়ক, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, জি অ' চি -৪ কৰ্পছৰ লেফটেনেন্ট জেনেৰেল শান্তনু দয়াল, গৃহ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (আইন-শৃংখলা) জি পি সিং, আই জি পি হীৰেন নাথৰ লগতে বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**স্বাঃডেঃ / বঃভাঃ**
**৩০/০১/২০২০**